# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-02-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
***:::::::::::::::::::::::::::::::***

এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতি ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানীয় প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম তিনিগৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। তদুপৰি নিৰ্বাচিত ১০০ গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

ooooo

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে **কৃষি আৰু আনুষংগিক খণ্ডত বতৰ আৰু জলবায়ু ভিত্তিক সিদ্ধান্তৰ বাবে অগ্ৰণী প্ৰযুক্তি কৌশল** শীৰ্ষক এখন ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বতৰ বিজ্ঞান বিভাগৰ উদ্যোগত আয়োজন কৰা এই সন্মিলন আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমহন্তই কৃষি ক্ষেত্ৰত বতৰ বিজ্ঞানৰ ভূমিকা আৰু শেহতীয়া তথ্য প্ৰযুক্তিৰ জৰিয়তে কৃষকক সকাহ দিয়াৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ কৃষি বিজ্ঞানী, বতৰ বিজ্ঞানী, জলবায়ু বিশেষজ্ঞ, প্ৰযুক্তিবিদ, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছে।

ooooo

যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত আজি বিভাগৰ সভাকক্ষত জিলাখনৰ জলজীৱন মিছনৰ সৈতে জড়িত লোকসকলৰ **জল আড্ডা** শীৰ্ষক এটা মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। এই জল আড্ডাত জলজীৱন মিছনৰ সফল ৰূপায়ণ, জল সংকট দূৰীকৰণ আৰু পানীৰ অপব্যৱহাৰ ৰোধ সন্দৰ্ভত মত বিনিময় কৰা হয়। এই জল আড্ডাত জিলাখনৰ ৭ খন বিদ্যালয়ৰ প্ৰায় ৫০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত মঙলবাৰৰ পৰা বন্যপ্ৰাণী সংৰক্ষণ আৰু সংৰক্ষণ কৰ্মীৰ দক্ষতা বিকাশৰ ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আন্তৰাষ্ট্ৰীয় ব্যাঘ্ৰ প্ৰজাতি জোঁট, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উদ্যোগত আয়োজিত এই কৰ্মশালাৰ আজি তৃতীয় দিনা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। বিশ্বৰ ২৭ খন দেশৰ অংশগ্ৰহণকাৰীয়ে ভাগ লোৱা এই কৰ্মশালাত প্ৰতিনিধিসকলক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিভিন্ন এলেকালৈ লৈ গৈ তেওঁলোকক উদ্যানখনৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে অৱগত কৰোৱা হয়। ইৰাণ, আফ্ৰিকা, ভূটান, মালয়েছিয়া, শ্ৰীলংকা, কেনিয়াকে ধৰি দেশসমূহৰ প্ৰতিনিধিসকলে কাজিৰঙাত থাকি ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ ব্যৱস্থা, চোৰাংচিকাৰ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, গৱেষণা পদ্ধতি, পানী ধৰি ৰখাৰ ব্যৱস্থাকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰিব।

০০০০০

ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহৰ সৰ্বাংগীণ উন্নয়নৰ হকে ৰাজ্য চৰকাৰে আগবঢ়োৱা বিভিন্ন সুবিধাসমূহৰ ফলস্বৰূপে সম্প্ৰতি বিদ্যালয় শিক্ষা ব্যৱস্থাৰ যথেষ্ট উন্নতি হৈছে। বিদ্যালয় শিক্ষাৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত প্ৰকাশ পোৱা বাৰ্ষিক প্ৰতিবেদন অনুসৰি ২০১০ চনৰ তুলনাত ২০২৪ চনত মধ্যাহ্ন ভোজন, খোৱাপানী, ছাত্ৰীৰ বাবে পৃথক প্ৰস্ৰাৱগাৰ, পুথিভঁৰাল, বিদ্যুতৰ ব্যৱস্থা আদি ক্ষেত্ৰত ভালেখিনি উন্নয়ন সাধন কৰা হৈছে। সেই অনুসৰি ২০১০ চনত ৬৭ দশমিক ৩ শতাংশ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন কৰোৱাৰ বিপৰীতে ২০২৪ চনত এই হাৰ ৮৩ শতাংশলৈ বৃদ্ধি পায়। একেদৰে খোৱাপানীৰ সুবিধা ৬০ দশমিক ৯ শতাংশৰ পৰা ৭৯ দশমিক ৪ শতাংশলৈ বৃদ্ধি পাইছে। প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি ২০১০ চনত ৩৩ দশমিক ১ শতাংশ বিদ্যালয়তহে প্ৰস্ৰাৱগাৰৰ সুবিধা আছিল। ইয়াৰ পৰিবৰ্তে ২০২৪ চনত এই হাৰ ৮০ দশমিক ৯ শতাংশ হয়। একেদৰে ছাত্ৰীৰ বাবে পৃথক আৰু ব্যৱহাৰযোগ্য প্ৰস্ৰাৱগাৰৰ হাৰ ১৩ দশমিক ৭ শতাংশৰ পৰা ৬৭ দশমিক ৭ শতাংশ বৃদ্ধি হয় বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে।

০০০০০

সমাপ্ত